3 (Sem–5/CBCS) PHI RE 1/2

M.L.C. LIBRARY
G.L. CHOUDHURY COLLEGE

# 2022

## PHILOSOPHY

( Regular Elective )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer either in English or in Assamese*

OPTION—A

Paper : PHI–RE–5016

**( Contemporary Indian Philosophy )**

1. Answer the following as directed (any *ten*) : 1×10=10

তলত দিয়াসমূহৰ নিৰ্দেশানুসৰি উত্তৰ লিখা (যি কোনো দহটা) :

(a) Sri Aurobindo's Philosophy is considered as idealistic/realistic philosophy. (Choose the correct answer)

শ্ৰী অৰবিন্দৰ দৰ্শনক ভাববাদী/বাস্তৱবাদী দৰ্শন বুলি বিবেচনা কৰা হয়। (শুদ্ধ উত্তৰটো বাছি উলিওৱা)





(b) In which year did Swami Vivekananda deliver his historical lecture in Chicago?

স্বামী বিবেকানন্দই কোন চনত চিকাগোত তেওঁৰ ঐতিহাসিক বক্তৃতাটো প্ৰদান কৰিছিল?

(c) Intellect and intuition are contrary to each other, according to Radhakrishnan. (Write True or False)

ৰাধাকৃষ্ণনৰ মতে বুদ্ধি আৰু স্বজ্ঞা পৰস্পৰ বিৰোধী। (শুদ্ধ নে অশুদ্ধ লিখা)

(d) According to Sri Aurobindo, what is the final stage of evolution?

শ্ৰী অৰবিন্দৰ মতে বিৱৰ্তনৰ অন্তিম স্তৰটো কি?

(e) What is the meaning of the term 'Sarvodaya'?

'সৰ্বোদয়' শব্দটোৰ অৰ্থ কি?

(f) Who is the author of *Hind Swaraj*?

'হিন্দ স্বৰাজ'ৰ প্ৰণেতা কোন?

(g) In which book, Sri Aurobindo discussed the 'Theory of Evolution'?

শ্ৰী অৰবিন্দই কোনখন গ্ৰন্থত তেওঁৰ 'বিৱৰ্তনবাদ তত্ত্বটো'ৰ বিষয়ে আলোচনা কৰিছিল?





(h) Who is the author of *An Idealist View of Life*?

*An Idealist View of Life* গ্ৰন্থখনৰ প্ৰণেতা কোন?

(i) Was Satyagraha a moral weapon according to Gandhiji?

গান্ধীজীৰ মতে সত্যাগ্ৰহ নৈতিক অস্ত্ৰ আছিলনে?

(j) Sri Aurobindo's Yoga is also known as ____. (Fill in the blank)

শ্ৰী অৰবিন্দৰ যোগক ____ বুলিও জনা যায়। (খালী ঠাই পূৰণ কৰা)

(k) Write the name of the Indian mystic philosopher who was the Guru of Swami Vivekananda.

ভাৰতীয় ৰহস্যবাদী দাৰ্শনিকগৰাকীৰ নাম লিখা যিজন স্বামী বিবেকানন্দৰ গুৰু আছিল।

(l) Who is the author of *Savitri*?

'সাবিত্ৰী' গ্ৰন্থৰ প্ৰণেতা কোন?

(m) "My life is my message." Who said this?

"মোৰ জীৱনেই মোৰ বাণী।" উক্তিটো কাৰ?

(n) "Education is the manifestation of the perfection already in man." Who said this?

"শিক্ষা হ'ল মানুহৰ মাজত ইতিমধ্যে নিহিত হৈ থকা পূৰ্ণতা বা মহত্বৰ প্ৰকাশ।" উক্তিটো কাৰ?

(o) "Swami Vivekananda gave more emphasis on the path of action." Is the statement true?

"স্বামী বিবেকানন্দই কৰ্মমাৰ্গত অধিক গুৰুত্ব আৰোপ কৰিছিল।" কথাষাৰ সত্যনে?

(p) According to Radhakrishnan, intellect is the source of supreme knowledge. (Write True or False)

ৰাধাকৃষ্ণনৰ মতে বুদ্ধিয়েই হ'ল পৰম জ্ঞানৰ উৎস। (শুদ্ধ নে অশুদ্ধ লিখা)

(q) Mahatma Gandhi is a practical idealist. Is it true?

মহাত্মা গান্ধী এগৰাকী ব্যৱহাৰিক ভাববাদী। কথাষাৰ শুদ্ধনে?

(r) Who gave Gandhiji the title 'Mahatma'?

কোনে গান্ধীজীক 'মহাত্মা' উপাধি প্ৰদান কৰিছিল?





2. Answer the following questions in brief (any *five*) : 2×5=10

তলত দিয়া প্ৰশ্নসমূহৰ চমু উত্তৰ লিখা (যি কোনো পাঁচটা) :

(a) Write two basic characteristics of Supermind.

অতিমানসৰ দুটা মুখ্য বৈশিষ্ট্য লিখা।

(b) What is Sarvamukti?

সৰ্বমুক্তি মানে কি?

(c) Mention two essential qualities of Satyagrahi.

সত্যাগ্ৰহীৰ থাকিবলগীয়া দুটা অত্যাৱশ্যকীয় গুণ উল্লেখ কৰা।

(d) Write two characteristics of religious experience as explained by Radhakrishnan.

ৰাধাকৃষ্ণনে ব্যাখ্যা কৰা অনুসৰি ধৰ্মীয় অভিজ্ঞতাৰ দুটা বৈশিষ্ট্য লিখা।

(e) What is spiritual transformation?

আধ্যাত্মিক ৰূপান্তৰ কাক বোলে?

(f) Write two limitations of sense experience according to Radhakrishnan.

ৰাধাকৃষ্ণনৰ মত অনুসৰি ইন্দ্ৰিয় অভিজ্ঞতাৰ দুটা সীমাবদ্ধতাৰ বিষয়ে লিখা।





(g) Mention two points of differences between Advaita Vedanta and Practical Vedanta.

অদ্বৈত বেদান্ত আৰু ব্যৱহাৰিক বেদান্তৰ মাজত থকা দুটা পাৰ্থক্য উল্লেখ কৰা।

(h) What is intuition?

স্বজ্ঞা কাক বোলে?

(i) Write two basic aims of education as explained by Swami Vivekananda.

স্বামী বিবেকানন্দই ব্যাখ্যা কৰা অনুসৰি শিক্ষাৰ দুটা মূল উদ্দেশ্যৰ বিষয়ে লিখা।

(j) What is mass education?

জনশিক্ষা বুলিলে কি বুজা?

3. Answer the following questions (any *four*) : 5×4=20

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো চাৰিটা) :

(a) Briefly explain the order of triple transformation of Sri Aurobindo's Philosophy.

শ্ৰী অৰবিন্দৰ দৰ্শনত থকা ত্ৰিবিধ ৰূপান্তৰৰ ক্ৰম সম্পৰ্কে চমুকৈ ব্যাখ্যা কৰা।





(b) 'Truth is God'—Explain Gandhi's view of truth in the context of this statement.

'সত্যই ঈশ্বৰ'—এই বিবৃতিটোৰ প্ৰসংগত গান্ধীৰ সত্য-সম্পৰ্কীয় ধাৰণাটো ব্যাখ্যা কৰা।

(c) Write a short note on the ways of knowing as stated by Radhakrishnan.

ৰাধাকৃষ্ণনে উল্লেখ কৰা ধৰণে, জ্ঞান আহৰণৰ পথসমূহৰ বিষয়ে এটা চমু টোকা লিখা।

(d) Briefly explain Swami Vivekananda's concept of Practical Vedanta.

স্বামী বিবেকানন্দৰ ব্যৱহাৰিক বেদান্তৰ বিষয়ে চমুকৈ বৰ্ণনা কৰা।

(e) Write a short note on trusteeship.

ন্যাসবাদৰ বিষয়ে এটা চমু টোকা লিখা।

(f) Briefly explain the practice of religion in daily life as discussed by Gandhi.

গান্ধীয়ে আলোচনা কৰা ধৰণে দৈনন্দিন জীৱনত ধৰ্মৰ অনুশীলনৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰা।

(g) Discuss briefly Radhakrishnan's concept of Man.

ৰাধাকৃষ্ণনে আগবঢ়োৱা 'মানুহ'ৰ ধাৰণাটো চমুকৈ আলোচনা কৰা।

*(h)* Write a short note on the role of Prayer in Gandhi's concept of religion.

গান্ধীৰ ধৰ্ম-সম্পৰ্কীয় ধাৰণাত প্ৰাৰ্থনাৰ ভূমিকাৰ বিষয়ে এটা চমু টোকা লিখা।

**4.** Answer the following questions (any *four*) : 10×4=40

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো চাৰিটা) :

*(a)* Discuss Sri Aurobindo's concept of Yoga.

শ্ৰী অৰবিন্দৰ যোগৰ ধাৰণাটোৰ বিষয়ে আলোচনা কৰা।

*(b)* Explain the relation between intellect and intuition according to Radhakrishnan.

ৰাধাকৃষ্ণনৰ মতানুসৰি বুদ্ধি আৰু স্বজ্ঞাৰ সম্পৰ্কৰ বিষয়ে ব্যাখ্যা কৰা।

*(c)* Elaborate Swami Vivekananda's concept of 'universal religion'.

স্বামী বিবেকানন্দৰ 'সাৰ্বজনীন ধৰ্ম'ৰ ধাৰণাটো বহলাই আলোচনা কৰা।

*(d)* Explain Gandhi's concept of Non-Violence.

গান্ধীৰ 'অহিংসা'ৰ ধাৰণাটো ব্যাখ্যা কৰা।





*(e)* Write an essay on Sri Aurobindo's concept of 'divine life'.

শ্ৰী অৰবিন্দৰ 'দিব্য জীৱন'ৰ ধাৰণাটোৰ বিষয়ে এখন ৰচনা লিখা।

*(f)* Critically explain Vivekananda's philosophy of education.

বিবেকানন্দৰ শিক্ষাৰ দৰ্শনৰ বিষয়ে বিচাৰমূলক ব্যাখ্যা আগবঢ়োৱা।

*(g)* Explain Gandhi's views on religion.

গান্ধীৰ ধৰ্ম-সম্পৰ্কীয় মতটো ব্যাখ্যা কৰা।

*(h)* Discuss Radhakrishnan's concept of 'human destiny'.

ৰাধাকৃষ্ণনৰ 'মানৱ অভীষ্ট'ৰ ধাৰণাটো আলোচনা কৰা।

*(i)* Elaborate Gandhi's criticism of industrialization.

গান্ধীয়ে আগবঢ়োৱা ঔদ্যোগিকৰণৰ সমালোচনাৰ বিষয়ে বহলভাৱে আলোচনা কৰা।

*(j)* Explain the basic features of Sri Aurobindo's theory of evolution.

শ্ৰী অৰবিন্দৰ বিৱৰ্তনবাদৰ মূল বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰা।





OPTION—B

Paper : PHI–RE–5026

**( Western Philosophy )**

**1.** Answer the following as directed (any *ten*) : 1×10=10

তলত দিয়াসমূহৰ নিৰ্দেশানুসৰি উত্তৰ লিখা (যি কোনো দহটা) :

*(a)* According to Plato, Ideas or Forms are universal/particular.

(Choose the correct answer)

প্লেটোৰ মতে ধাৰণা বা প্ৰত্যয়সমূহ সাৰ্বিক/বিশেষ।

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

*(b)* What is the highest idea according to Plato?

প্লেটোৰ মতে সৰ্বোচ্চ বা পৰম ধাৰণা (প্ৰত্যয়) কি?

*(c)* Who is the author of the book, *Metaphysics*?

*Metaphysics* গ্ৰন্থখনৰ লেখক কোন?

*(d)* According to Aristotle, God is pure form/pure matter.

(Choose the correct answer)

এৰিষ্টটলৰ মতে ঈশ্বৰ হৈছে বিশুদ্ধ আকাৰ/বিশুদ্ধ উপাদান।

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)





*(e)* Is 'cogito ergo sum' (I think therefore I exist) an inference?

'Cogito ergo sum' (মই চিন্তা কৰোঁ গতিকে মই অস্তিত্বশীল) এটা অনুমাননে?

*(f)* Descartes is a monist/dualist/pluralist.

(Choose the correct answer)

ডেকাৰ্ট এজন একত্ববাদী/দ্বৈতবাদী/বহুত্ববাদী।

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

*(g)* Name the philosopher who said that, 'God and Nature are One'.

'ঈশ্বৰ আৰু প্ৰকৃতি এক' বুলি কোৱা দাৰ্শনিকজনৰ নাম লিখা।

*(h)* Spinoza is a monist/dualist/pluralist philosopher.

(Choose the correct answer)

স্পিনোজা এজন একত্ববাদী (অদ্বৈতবাদী)/দ্বৈতবাদী/বহুত্ববাদী দাৰ্শনিক।

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

*(i)* According to which philosopher, there is no necessary connection between cause and effect?

কোনজন দাৰ্শনিকৰ মতে কাৰণ আৰু কাৰ্যৰ মাজত কোনো অনিবাৰ্য সম্পৰ্ক নাই?

(j) Give an example of primary quality.

মুখ্য গুণৰ এটা উদাহৰণ দিয়া।

(k) Which philosopher defined substance as a centre of force?

দ্ৰব্যক শক্তিৰ কেন্দ্ৰ বুলি কোনগৰাকী দাৰ্শনিকে সংজ্ঞা দিছে?

(l) State the name of one major work of John Locke.

জন লকে প্ৰণয়ন কৰা এখন প্ৰধান গ্ৰন্থৰ নাম লিখা।

(m) 'Esse est percipi'—mention the name of the theory associated with this statement.

'প্ৰত্যক্ষতে বস্তু বিদ্যমান'—এই বিবৃতিটোৰ সৈতে জড়িত মতবাদটোৰ নাম উল্লেখ কৰা।

(n) The book entitled *Critique of Pure Reason* was authored by Locke/Hume/Kant.

(Choose the correct answer)

*Critique of Pure Reason* শীৰ্ষক গ্ৰন্থখন লক/হিউম/কাণ্ট-এ ৰচনা কৰিছিল।

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)





(o) "Percepts without concepts are blind and concepts without percepts are empty." Write the name of the philosopher who is associated with this statement.

"ধাৰণা অবিহনে ইন্দ্ৰিয়-প্ৰত্যক্ষ অন্ধ আৰু ইন্দ্ৰিয়-প্ৰত্যক্ষ অবিহনে ধাৰণা শূন্য।" এই বিবৃতিটোৰ সৈতে জড়িত দাৰ্শনিকগৰাকীৰ নাম লিখা।

(p) How many categories of understanding are accepted by Kant?

কাণ্টে বোধশক্তিৰ কেইবিধ প্ৰকাৰ স্বীকাৰ কৰিছে?

(q) Distinction between primary and secondary qualities was refuted by Berkeley/Hume/Kant.

(Choose the correct answer)

মুখ্য আৰু গৌণ গুণৰ মাজৰ পাৰ্থক্য বাৰ্কলি/হিউম/কাণ্ট-এ খণ্ডন কৰিছিল।

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(r) Space and Time are a priori/a posteriori forms of sensibility.

(Choose the correct answer)

দেশ আৰু কাল হ'ল সংবেদনৰ দুটা অভিজ্ঞতাপূৰ্ব/অভিজ্ঞতালব্ধ আকাৰ।

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)





2. Answer the following questions (any *five*) : 2×5=10

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো পাঁচটা) :

(a) Name two famous dialogues of Plato.

প্লেটোৰ দুখন বিখ্যাত সংলাপৰ নাম লিখা।

(b) State two important points about the Cogito (Self) in the philosophy of Descartes.

ডেকাৰ্টৰ দৰ্শনত Cogito (আত্মা) সম্পৰ্কে থকা দুটা গুৰুত্বপূৰ্ণ কথা উল্লেখ কৰা।

(c) What are the two kinds of activity of the Monads according to Leibniz?

লিব্‌নিজৰ মতে ম'নাডৰ দুই প্ৰকাৰৰ ক্ৰিয়া কি কি?

(d) Mention two points of difference between primary and secondary quality.

মুখ্য আৰু গৌণ গুণৰ মাজত দুটা পাৰ্থক্য উল্লেখ কৰা।





(e) What is synthetic judgement? Is synthetic a priori judgement possible according to Kant?

সংশ্লেষাত্মক অৱধাৰণ কি? কাণ্টৰ মতে অভিজ্ঞতাপূৰ্ব সংশ্লেষাত্মক অৱধাৰণ সম্ভৱনে?

(f) What are the criteria of truth according to Descartes?

ডেকাৰ্টৰ মতে সত্যতাৰ নিৰ্ণায়ক কি কি?

(g) State two characteristics of Monad.

ম'নাডৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(h) What is the meaning of solipsism?

আত্মকেন্দ্ৰিকতাবাদৰ অৰ্থ কি?

(i) By 'matter' does Aristotle mean physical matter? Give reasoned answer.

'উপাদান'ৰ জৰিয়তে এৰিষ্টটলে ভৌতিক দ্ৰব্যক বুজাইছেনে? যুক্তিসম্মত উত্তৰ দিয়া।

(j) What are the two forms of experience according to Locke?

ল'কৰ মতে অভিজ্ঞতাৰ প্ৰকাৰ দুটা কি কি?

**3.** Answer the following questions (any *four*) : 5×4=20

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো চাৰিটা) :

*(a)* State five characteristics of Forms or Ideas as laid down by Plato.

প্লেটোই আগবঢ়োৱা ধৰণে প্ৰত্যয় বা ধাৰণাৰ পাঁচটা বৈশিষ্ট্য উল্লেখ কৰা।

*(b)* What is the relation between Form and Matter according to Aristotle? Explain briefly.

এৰিষ্ট'টলৰ মতে আকাৰ আৰু উপাদানৰ মাজত সম্বন্ধ কি? চমুকৈ ব্যাখ্যা কৰা।

*(c)* Write a short note on pantheism of Spinoza.

স্পিনোজাৰ সৰ্বেশ্বৰবাদৰ বিষয়ে এটি চমু টোকা লিখা।

*(d)* Write a brief note on the nature of God or Supreme Monad in the philosophy of Leibniz.

লিবনিজৰ দৰ্শনত ঈশ্বৰ বা পৰম ম'নাডৰ প্ৰকৃতি সম্পৰ্কে এটি চমু টোকা লিখা।





*(e)* Explain briefly Hume's theory of causation.

হিউমৰ কাৰ্যকাৰণ তত্ত্বটো চমুকৈ ব্যাখ্যা কৰা।

*(f)* How does Kant bring about a Copernican Revolution in philosophy? Explain briefly.

কাণ্টে কিদৰে দৰ্শনৰ জগতত ক'পাৰনিকান বিপ্লৱৰ সূচনা কৰিছিল? চমুকৈ ব্যাখ্যা কৰা।

*(g)* Write a short note on Leibniz's theory of pre-established harmony.

লিবনিজৰ পূৰ্ব-প্ৰতিষ্ঠিত শৃংখলাবাদৰ বিষয়ে এটি চমু টোকা লিখা।

*(h)* Explain Kant's metaphysical deduction of categories.

কাণ্টৰ প্ৰৱৰ্গৰ আধিভৌতিক নিগমনৰ বিষয়ে ব্যাখ্যা আগবঢ়োৱা।

**4.** Answer the following questions (any *four*) : 10×4=40

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো চাৰিটা) :

*(a)* Critically discuss Descartes' mind-body dualism.

ডেকাৰ্টৰ মন-শৰীৰ দ্বৈতবাদৰ বিষয়ে সমালোচনাত্মক ব্যাখ্যা আগবঢ়োৱা।





*(b)* Explain the concept of 'freedom of will' of Augustine.

আগষ্টাইনৰ 'ইচ্ছাৰ স্বাধীনতা'ৰ ধাৰণাটো ব্যাখ্যা কৰা।

*(c)* What is the meaning of 'esse est percipi'? Explain critically the statement.

'Esse est percipi'ৰ অৰ্থ কি? সমালোচনাসহকাৰে উক্তিটো ব্যাখ্যা কৰা।

*(d)* Critically explain 'parallelism' of Spinoza.

স্পিনোজাৰ 'সমান্তৰালবাদ' সম্বন্ধে সমালোচনাত্মক ব্যাখ্যা আগবঢ়োৱা।

*(e)* "Mind at birth is a clean slate or tabula rasa." Who said this statement? Explain the theory associated with this statement.

"জন্মৰ সময়ত মানুহৰ মন এখিলা অলিখিত বা উকা ফলিৰ দৰে।" এই কথাষাৰ কোনে কৈছিল? এই কথাষাৰৰ সৈতে জড়িত মতবাদটো ব্যাখ্যা কৰা।

*(f)* "Space and Time are empirically real but transcendentally ideal." Explain.

"দেশ আৰু কাল অভিজ্ঞতামূলকভাৱে বাস্তৱ কিন্তু অতীন্দ্ৰিয়ভাৱে ভাৱাত্মক।" ব্যাখ্যা কৰা।





*(g)* Explain critically Descartes' famous dictum 'cogito ergo sum'.

ডেকাৰ্টৰ 'মই চিন্তা কৰোঁ গতিকে মই অস্তিত্বশীল' এই বিখ্যাত আপ্তবাক্যটো সমালোচনাসহকাৰে ব্যাখ্যা কৰা।

*(h)* Explain different types of Monads as mentioned by Leibniz.

লিবনিজে উল্লেখ কৰা ধৰণে চিৎপৰমাণুৰ বিভিন্ন প্ৰকাৰ ব্যাখ্যা কৰা।

*(i)* Is Hume a sceptic? Discuss.

হিউম এজন সংশয়বাদীনে? আলোচনা কৰা।

*(j)* Explain Kant's metaphysical exposition of the concept of Space and Time.

কাণ্টৰ দেশ আৰু কালৰ ধাৰণাৰ আধিভৌতিক ব্যাখ্যা আগবঢ়োৱা।

★★★